DAILY ASSAM

# জনতাৰ আহ্বান

জ্যোতিপ্ৰসাদ আগৰৱালা

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

অসমীয়া সাহিত্য-সংস্কৃতিলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান চিৰস্মৰণীয়। সংগীতজ্ঞ, কবি, কথাছবি পৰিচালক আৰু নাট্যকাৰ হিচাপে জ্যোতিপ্ৰসাদে পৰিচিতি লাভ কৰিছে যদিও তেওঁ মূলতঃ বিপ্লৱী কবি। জ্যোতিপ্ৰসাদে বিশ্বাস কৰিছিল ৰূপান্তৰৰ বিপ্লৱত। তেওঁ কৈছিল— বিপ্লৱ বাদ দি কোনো জাতিয়ে কোনো ক্ষেত্ৰতে আগবাঢ়িব নোৱাৰে। সেই কাৰণে তেওঁ ৰংগমঞ্চ, নাট্য-কৌশল, কথাছবি আৰু কবিতাৰ ক্ষেত্ৰত নতুন আদৰ্শ আৰু কাৰিকৰী কৌশল প্ৰৱৰ্তন কৰিবলৈ প্ৰচেষ্টা চলাইছিল। ছাত্ৰ-ছাত্ৰীক জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ সোৱাদ দিয়াৰ উদ্দেশ্যে 'জনতাৰ আহ্বান' কবিতাটি পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা হৈছে।

**কবি পৰিচিতি ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম হৈছিল ১৯০৩ চনত ডিব্ৰুগড়ৰ তামোলবাৰী চাহ বাগিচাত। তেওঁৰ পিতৃৰ নাম পৰমানন্দ আগৰৱালা আৰু মাতৃৰ নাম কিৰণময়ী আগৰৱালা। ১৯২৬ চনত উচ্চ শিক্ষা লাভৰ বাবে তেওঁ ইংলেণ্ডলৈ যায় যদিও কোনো ডিগ্ৰী নোলোৱাকৈ উভতি আহে। তাৰ পিছত জাৰ্মানীলৈ গৈ তাত কথাছবি প্ৰযোজনা আৰু পৰিচালনা বিষয়ত প্ৰশিক্ষণ লয়। তাৰপৰা উভতি আহি ১৯৪২ চনৰ গণ আন্দোলনত যোগদান কৰে। সেই সময়ত

তেওঁ মৃত্যুবাহিনীৰ অধিনায়ক হৈ বহুত দিন আত্মগোপন কৰিবলগীয়া হয়। ১৯৫১ চনত দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ জ্যোতিপ্ৰসাদ আগৰৱালাই ইহলীলা সম্বৰণ কৰে।

বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা জ্যোতিপ্ৰসাদৰ কবিতাসমূহ একেলগ কৰি 'লুইতৰ পাৰৰ অগ্নিসুৰ' নাম দি তেওঁৰ মৃত্যুৰ পিছত প্ৰকাশ কৰা হৈছে। জাতীয়তাবাদ, দেশৰ ঐতিহ্য আৰু বুৰঞ্জীৰ লগত একাত্মবোধ, জনতাৰ প্ৰতি দায়বদ্ধতা, ভাষা আৰু শব্দ প্ৰয়োগৰ ওজস্বিতা, যৌৱনসুলভ দীপ্ততা আদি তেওঁৰ কবিতাৰ বৈশিষ্ট্য। তেওঁৰ গীতসমূহত কোমল-মধুৰ আৰু পৌৰুষদীপ্ত দুয়োটি সুৰ ধ্বনিত হৈছে। গীতসমূহৰ সুৰ জ্যোতিপ্ৰসাদৰ স্বকীয় সৃষ্টি। নাট্যকাৰ হিচাপে জ্যোতিপ্ৰসাদে আত্মপ্ৰকাশ কৰে 'শোণিতকুঁৱৰী' নাটকৰ জৰিয়তে। তেওঁ ৰচনা কৰা আন নাটকসমূহ হ'ল— 'কাৰেঙৰ লিগিৰী', 'ৰূপালীম', 'লভিতা', 'খনিকৰ', 'নিমাতী কইনা', 'সোণ-পখিলী', 'কনকলতা' আৰু 'সুন্দৰ কোঁৱৰ'। ১৯৩৫ চনত জ্যোতিপ্ৰসাদে প্ৰথম অসমীয়া কথাছবি 'জয়মতী' আৰু ১৯৩৯ চনত 'ইন্দ্ৰমালতী' নিৰ্মাণ কৰে। অসমীয়া সাহিত্য-সংস্কৃতিৰ জগতত জ্যোতিপ্ৰসাদ আগৰৱালা 'ৰূপকোঁৱৰ' বুলি পৰিচিত।

**মূল পাঠ ঃ**

হে মোৰ আলোক-পূজাৰী প্ৰাণ!
আজি সুন্দৰৰ পূজা-থাপনাত
যাচিবি কিহৰে যোড়শোপচাৰ,
গাবি কি ৰাগ, কি সুৰেৰেনো
পুৱা-সন্ধিয়াৰ গান?
আজি পৃথিৱীৰ আকাশে আকাশে
জনতাৰ আহ্বান।
আজি জনতাৰ পঙ্কজ ৰূপ
জাগে পদুমৰ দৰে,

বোকাত জনমা মানুহে আজি
আলোকলৈ' উঠি আহে
বেলিমুৰা হৈ হাঁহে।
মাটিৰ পানীৰ বিদাৰি বক্ষ
জননী গৰ্ভৰ আন্ধাৰ কক্ষ
ওলাল এৰিবলৈ'
পোহৰত পাহি মেলিবলৈ'
আকাশত সৌন্দৰ্য সিঁচিবলৈ'
বতাহত ৰেণু বিলাবলৈ'
মানুহৰ এই পৃথিৱীখনত
শান্তি-সুৰভি বিয়পাই দি
বিশ্বৰ এই সৌন্দৰ্য-সৃষ্টিৰ
মহান মেলাত
অভিনৱ এক জীৱনৰ ৰূপ,
পুষ্পিত কৰি তুলিবলৈ'
আজি মানৱৰ জনজীৱনৰ
সংহত অভ্যুত্থান;
দুৰ্নিবাৰ ভূমিকম্প উল্লাসে
বিকশিত হৈ আহিছে সেই
জীৱনৰ মহা প্ৰবাহে প্ৰবাহে
জনতাৰ মহাপ্ৰাণ।
আজি জনতাৰ আলোকবিজয়ী
অপূৰ্ব অভিযান
আজি পৃথিৱীৰ আকাশে আকাশে
জনতাৰ আহ্বান,

নবজীৱনৰ মহাসংঘাতে কঁপায় বৰ্তমান।
আজি সাৰ্থক হ'ক বেদত ধ্বনিত হোৱা
আলোকৰ আগমনী মন্ত্ৰ
প্ৰবুদ্ধ জনতা জয় জয় জনতন্ত্ৰ
জয় স্বতন্ত্ৰ
জয় স্বতন্ত্ৰ
জয় জয় জয় জয়—আলোক-মন্ত্ৰপূত
মহামানৱতন্ত্ৰ
জয় জনতন্ত্ৰ
জয় স্বতন্ত্ৰ
জয় স্বতন্ত্ৰ।

**কঠিন শব্দৰ অৰ্থ ঃ**

যোড়শোপচাৰ — পূজাৰ ১৬ বিধ উপকৰণ। সেইবোৰ হ'ল— আসন, স্বাগত, পাদ্য, অৰ্ঘ্য, আচমনীয়, মধুপৰ্ক, পুনৰাচমনীয়, স্নান, বসন, আভৰণ, গন্ধ, পুষ্প, ধূপ, দীপ, নৈবেদ্য আৰু বন্দনা।

অভিনৱ — একেবাৰে নতুন।

সংহত — মিলন, একীভূত।

অভ্যুত্থান — জাগৰণ।

দুৰ্নিবাৰ — দুৰ্বাৰ; বাধা দিব নোৱৰা।

অভিযান — যাত্ৰা।

প্ৰবুদ্ধ — জ্ঞান লাভ কৰা, জাগৰিত।

আৰ্হি প্ৰশ্ন ঃ

(ক) অতি চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ১)

১। অসমীয়া সাহিত্য-সংস্কৃতি জগতত 'ৰূপকোঁৱৰ' অভিধাৰে কোনগৰাকী সাহিত্যিকক বিভূষিত কৰা হৈছে?

২। জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতা পুথিখনৰ নাম কি?

৩। জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা প্ৰথম নাটকখনৰ নাম কি?

৪। জ্যোতিপ্ৰসাদ আগৰৱালাই জাৰ্মানীলৈ গৈ কিহৰ প্ৰশিক্ষণ লৈছিল?

৫। প্ৰথম অসমীয়া কথাছবিখনৰ নাম কি?

(খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ২ অথবা ৩)

১। জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা।

২। 'আজি সুন্দৰৰ পূজা-থাপনাত
যাচিবি কিহৰে ষোড়শোপচাৰ' — ষোড়শোপচাৰ কি বুজাই লিখা।

৩। কবিতাটোত কবিয়ে 'আজি পৃথিৱীৰ আকাশে আকাশে জনতাৰ আহ্বান' বুলি কিয় কৈছে?

৪। 'হে মোৰ আলোক-পূজাৰী প্ৰাণ" কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা।

৫। কথাছবি নিৰ্মাতা হিচাপে জ্যোতিপ্ৰসাদৰ এটি চমু পৰিচয় লিখা।

(গ) দীঘল প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক - ৪ অথবা ৫)

১। 'জনতাৰ আহ্বান' কবিতাটোৰ মূল কথাখিনি আলোচনা কৰা।

২। 'জনতাৰ আহ্বান' কবিতাটোত সাধাৰণ মানুহৰ প্ৰতি কবিৰ কেনে মনোভাব প্ৰকাশ পাইছে বুজাই লিখা।

৩। কবিয়ে কেনেকুৱা জনতন্ত্ৰ কামনা কৰিছে কবিতাটোৰ আধাৰত বিশ্লেষণ কৰা।

৪। 'জনতাৰ আহ্বান' কবিতাটোত জনতাৰ মহাপ্ৰাণ কেনেদৰে জাগৰিত হয় বুলি কবিয়ে কৈছে আলোচনা কৰা।

৫। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ

আজি জনতাৰ পংকজ ৰূপ
জাগে পদুমৰ দৰে
বোকাত জনমা মানুহে আজি
আলোকলৈ' উঠি আহে
বেলিমুৰা হৈ হাঁহে

**পাঠবোধ ঃ**

কবিতাটোত কবিয়ে পৃথিৱীৰ জনতাৰ মাজত বিয়পি পৰা এক নতুন চেতনাৰ অভ্যুদয়ৰ কথা বৰ্ণনা কৰিছে। ৰূপান্তৰৰ পৃথিৱীত আকাশে-বতাহে জনতাৰ আহ্বান বিয়পি পৰিছে। সুন্দৰৰ পূজাৰ যি সাধনা আৰম্ভ হৈছে, তাত জনতাই যোড়শোপচাৰেৰে সুন্দৰৰ আৰাধনাত মগ্ন হৈছে। বোকাত জন্ম লভা সাধাৰণ জনতাই আজি পদুম ফুলৰ দৰে ফুলি পোহৰ বিলাইছে। অন্ধকাৰ নাশি পোহৰত পাহি মেলি, আকাশত সৌন্দৰ্য সিঁচিবলৈ আজি জনতা ওলাই আহিছে। মানুহৰ এই পৃথিৱীখনত শান্তিৰ সুৰভি বিলাই জীৱনৰ এক অভিনৱ ৰূপ পুষ্পিত কৰি তুলিবলৈ আজি মানৱৰ সংহত অভ্যুত্থানে জনতাৰ মহাপ্ৰাণ জাগ্ৰত কৰি তুলিছে। আজি জনতাৰ আলোকবিজয়ী অপূৰ্ব অভিযানে পৃথিৱীৰ আকাশ মুখৰিত কৰি তুলিছে। নৱজীৱনৰ মহাসংঘাতে বৰ্তমানক কঁপাই তুলিছে। বেদত ধ্বনিত হোৱা আলোকৰ আগমনী মন্ত্ৰ আজি সাৰ্থক হ'বলৈ আগ বাঢ়িছে। ঘোষণা কৰিছে জনতাৰ জয়, জনতন্ত্ৰৰ জয়, মহামানৱতন্ত্ৰৰ জয়।

**ওপৰঞ্চি তথ্য ঃ**

কবিতাটিত ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ প্ৰভাৱ পৰিলক্ষিত হৈছে।

**শিক্ষকৰ প্ৰতি ঃ**

- জ্যোতিপ্ৰসাদৰ গীত আৰু নাটকৰ অলপ পৰিচয় দাঙি ধৰিব পাৰে।
- অসহযোগ আন্দোলনত জ্যোতিপ্ৰসাদৰ ভূমিকা সম্পৰ্কে ক'ব পাৰে।
- জ্যোতিপ্ৰসাদে সৃষ্টিৰ মাজত কিদৰে ৰূপান্তৰ আনিছিল সেই বিষয়ে চমু আভাস দিব পাৰে।

●●●